# অন্বেষণ

## অন্তৰ্বিদ্যাৱৰ্তী (Interdisciplinary)
## গৱেষণা পত্ৰৰ সংকলন



সম্পাদনা

জ্যোতি ৰঞ্জন মিলি

# সূচীপত্র ঃ


❑ প্ৰতীকধৰ্মী নাটক হিচাপে 'ৰাজা' ঃ এটি বিশ্লেষণ /৯

কৰবী দাস, ড° ৰীতা মণি বৈৰাগী

❑ ধ্ৰুৱজ্যোতি বৰাৰ 'কথা ৰত্নাকৰ' উপন্যাসত প্ৰতিফলিত সমাজ জীৱন ঃ এক বিশ্লেষণ /১৮

মাধৱ চন্দ্ৰ বৰুৱা

❑ জনগোষ্ঠীয় বিবাহ পদ্ধতিঃ ৰাভা আৰু বড়ো জনগোষ্ঠীৰ উল্লিখনসহ /২৭

ৰিজুমণি দাস

❑ জনগোষ্ঠীয় আন্দোলন আৰু তিৱা স্বায়ত্ব শাসনৰ দাবী ঃ এক বিশ্লেষণাত্মক অধ্যয়ন /৩৬

দিনেশ কুমাৰ গগৈ

❑ মাধবদেৱৰ 'নামঘোষা' ত কৃষ্ণ নামৰ মাহাত্ম্য /৪৯

নিলিমা শেনচোৱা

❑ লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যত কীৰ্তন-ঘোষাৰ প্ৰভাব /৬২

বিশ্বদীপা দাস

❑ দেউৰীসকলৰ পৰম্পৰাগত লোকনৃত্য আৰু লোকগীত /৭১

ড° হৰেন হাজৰিকা

❑ সত্ৰীয়া নৃত্য ঃ এটি আলোচনা (মাজুলীৰ সত্ৰসমূহৰ বিশেষ উল্লিখনসহ) /৭৯

ড° অৰুণিমা দাস

❑ পাৰিজাত-হৰণ ঃ শংকৰদেৱৰ শ্ৰেষ্ঠ নাট্যকৃতি /৯০

অলকেশ চন্দ্ৰ ৰায়

# লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যত কীৰ্তন-ঘোষাৰ প্ৰভাৱ

বিশ্বদীপা দাস

০.০ অৱতৰণিকা ঃ

আধুনিক অসমৰ সাহিত্য কৃষ্টিৰ ভেঁটি নিৰ্মাতা অন্যতম পথিকৃৎ লক্ষ্মীনাথ বেজবৰুৱাই আধুনিক অসমীয়া সাহিত্য ক্ষেত্ৰত শঙ্কৰদেৱক বিদ্যায়তনিকভাৱে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত সফলতা অৰ্জন কৰিছে। বেজবৰুৱাই পৰিয়ালৰ পৰম্পৰা হিচাপে শঙ্কৰদেৱক ধৰ্মীয়ভাৱে আৰু বিদ্যায়তনিক দৃষ্টিভঙ্গীৰে পৰ্যবেক্ষণ কৰিবলৈ সুবিধা লাভ কৰিছিল। বেজবৰুৱাৰ পিতৃ দীননাথ বেজবৰুৱা এগৰাকী শিক্ষাব্ৰতী নৈষ্ঠিক পুৰুষ আছিল আৰু তেঁৱেই গুৰুচৰিতৰ আৰ্হিৰে শঙ্কৰদেৱৰ জীৱনগাথাৰে **ৰচৰিত** পুথি পদ ছন্দত ১৯৮৭ চনত ৰচনা কৰে। এক বৈষ্ণৱ পৰিৱেশত জন্মগ্ৰহণ কৰি বেজবৰুৱাই পৰিয়ালৰ পৰম্পৰাগত শঙ্কৰী কলা-কৃষ্টিৰ চৰ্চাৰ পৰিৱেশত থাকি শঙ্কৰদেৱৰ প্ৰতি বিশেষভাৱে আকৃষ্ট হৈ পৰিছিল। গতিকে তেওঁ বৃটিছ শাসনৰ ফলত সাহিত্যলৈ অহা পাশ্চাত্যাভাৱৰ স্ফুৰণত কিঞ্চিত ম্লান পৰা শঙ্কৰদেৱক অসমীয়া সমাজত পুনৰ প্ৰতিষ্ঠা কৰিবৰ বাবে বিশেষ কাৰ্যপন্থা হাতত লৈছিল। সেইবাবে তেওঁৰ সাহিত্য চৰ্চাত শঙ্কৰদেৱৰ প্ৰভাৱ এটি গুৰুত্বপূৰ্ণ বিষয়।

০.১ বিষয়ৰ উদ্দেশ্য আৰু গুৰুত্ব ঃ

অসমীয়া সমাজৰ স্বকীয় জাতিসত্ত্বাৰ মূল নিৰ্মাতা শঙ্কৰদেৱ। শঙ্কৰদেৱৰ *একশৰণ হৰিনাম ধৰ্ম* তথা নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ জৰিয়তে বৃহত্তৰ অসমীয়া জাতি সংগঠন কৰিলে। ইয়াৰ মূলতে তেওঁৰ উদাৰনৈতিক ধৰ্মীয়